
# REPORT

1. Name of the Program: Awareness and Sensitization Programme on **"Acid Attack Prevention and Support for Survivors"**
2. Date of the Program: 08/09 2026
3. Host Institution: Duliajan College Women's Cell
4. Resource Person: Mrs. Swarnalata Goswami, Advocate, Notary and first Women Secretary of Naharkatiya Bar Association
5. Program Inaugurator: Dr. Lok Bikash Gogoi, Principal, Duliajan College
6. Event Details:

| Date | Topic | Resource Person | Place | Mode | Attendees |
|---|---|---|---|---|---|
| 08/09/2026 | **Acid Attack Prevention and Support for Survivors** | Mrs. Swarnalata Goswami, Advocate, Notary and first Women Secretary of Naharkatiya Bar Association | Duliajan College | Offline | Teachers and Students of Duliajan College |

1. Total Number of Teachers Present: 10
2. Total Number of Students Present: 70



(Ankita Baruah)
Convener
Duliajan College Women's Cell


Acid Attack Prevention
and Support for Survivors
Duliajan College Women's Cell
GPS Map Camera
Duliajan, Assam, India
88w7+23x, Duliajan, Assam 786602, India
Lat 27.345138° Long 95.313539°
Tuesday, 08/09/2026 10:15 AM GMT +05:30
Google


GPS Map Camera
Duliajan, Assam, India
88w7+23x, Duliajan, Assam 786602, India
Lat 27.345026° Long 95.313513°
Tuesday, 08/09/2026 10:15 AM GMT +05:30
Google


Awareness and Sensitization Programme on
Acid Attack Prevention
and Support for Survivors
Duliajan College Women's Cell
GPS Map Camera
Duliajan, Assam, India
88w7+23x, Duliajan, Assam 786602, India
Lat 27.345034° Long 95.313554°
Tuesday, 08/09/2026 10:58 AM GMT +05:30
Google







# দুলীয়াজান মহাবিদ্যালয়ত সজাগতামূলক অনুষ্ঠান

**তিনিচুকীয়া ঃ ষ্টাফ ৰিপৰ্টাৰ, ৮ ছেপ্টেম্বৰ ঃ** দুলীয়াজান মহাবিদ্যালয় মহিলা কোষৰ উদ্যোগত আজি 'এচিড আক্ৰমণ প্ৰতিৰোধ আৰু ভুক্তভোগীসকলৰ প্ৰতি সহায়-সমৰ্থন সম্পৰ্কীয় সজাগতা আৰু সংবেদনশীলতা' কাৰ্যসূচী অনুষ্ঠিত হয়। মহিলা কোষৰ আহ্বায়িকা শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপিকা অংকিতা বৰুৱাই অনুষ্ঠানৰ আঁত ধৰে। তেওঁ এচিড আক্ৰমণৰ দৰে এক গুৰুতৰ সামাজিক সমস্যাৰ বিষয়ে সজাগতা সৃষ্টি কৰা, এনে ঘটনা প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰিব লগীয়া ব্যৱস্থাসমূহৰ বিষয়ে অৱগত কৰা আৰু এচিড আক্ৰমণৰ ভুক্তভোগীসকলৰ প্ৰতি সহানুভূতি, মৰ্যাদা, সহায় আৰু সংবেদনশীলতাৰ মনোভাৱ গঢ়ি তোলাৰ উদ্দেশ্যে এই সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয় বুলি উল্লেখ কৰে। দুলীয়াজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোক বিকাশ গগৈয়ে আদৰণী ভাষণত কয় যে এচিড আক্ৰমণ এক গুৰুতৰ সামাজিক সমস্যা, আৰু ইয়াক প্ৰতিৰোধ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা আৰু সংবেদনশীলতা সৃষ্টি কৰাটো অতি প্ৰয়োজনীয়। যদিও অসমত এনে ঘটনা তুলনামূলকভাৱে কম দেখা যায়, তথাপি এই বিষয়ত সজাগতা সৃষ্টি কৰা আৰু ভুক্তভোগীসকলৰ প্ৰতি সহমৰ্মিতা তথা সহায়ৰ মনোভাৱ গঢ়ি তোলাটো অত্যন্ত জৰুৰী বুলি উল্লেখ কৰে। অনুষ্ঠানৰ সমল ব্যক্তি হিচাপে অধিবক্তা তথা নাহৰকটীয়া অধিবক্তা সন্থাৰ সম্পাদিকা স্বৰ্ণলতা গোস্বামীয়ে এচিড আক্ৰমণৰ ভয়াৱহতা আৰু ইয়াৰ সামাজিক প্ৰভাৱৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ ১৯২০ চনত প্ৰথমটো এচিড আক্ৰমণৰ ঘটনা নথিভুক্ত হৈছিল আৰু ভাৰতৰ এচিড আক্ৰমণৰ ভুক্তভোগী তথা অধিকাৰ কৰ্মী লক্ষ্মী আগৰৱালে এই বিষয়ত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। বৰ্তমান সময়ত যুৱক-যুৱতীসকলে সম্পৰ্ক গঢ়াৰ ক্ষেত্ৰত নিজৰ ব্যক্তিগত সীমা আৰু পাৰস্পৰিক সন্মানৰ প্ৰতি সচেতন হোৱা উচিত বুলি তেওঁ মত প্ৰকাশ কৰে। সম্পৰ্কত মতানৈক্য বা বিচ্ছেদ ঘটিলেও কোনো পক্ষই প্ৰতিশোধপৰায়ণ মনোভাৱ গ্ৰহণ নকৰি পৰস্পৰৰ সিদ্ধান্ত, স্বাধীনতা আৰু মৰ্যাদাক সন্মান কৰা উচিত বুলি তেওঁ আহ্বান জনায়। দুলীয়াজান মহাবিদ্যালয়ৰ উপাধ্যক্ষা জ্যোতি সিং পাঠকেও মন্তব্য আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানত অৰ্থনীতি বিভাগৰ অধ্যাপিকা পূজা আগৰৱালাই শলাগৰ শৰাই আগবঢ়ায়।